# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-NOV-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। দিল্লীৰ ভয়াৱহ বিস্ফোৰণৰ ঘটনাৰ পাছত সমগ্ৰ দেশতে বিশেষ সতৰ্কতা জাৰি। ৰাজ্যৰ ঠায়ে ঠায়ে তীব্ৰ তালাচী অভিযান।

২। জনজাতীয় লোকক বসুন্ধৰা আঁচনিৰ জৰিয়তে ৫০ বিঘা পৰ্যন্ত ভূমিস্বত্ব দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৩। দ্বিতীয় পৰ্যায়ৰ বিহাৰ বিধানসভা নিৰ্বাচনত ৬৬ দশমিক ৯-১ শতাংশ ভোটদান। এগ্‌জিত প'লৰ সমীক্ষাত এন ডি এৰ পুনৰ প্ৰত্যাৱৰ্তনৰ ইংগিত।

৪। ৰাজ্য চৰকাৰ আৰু গুগলৰ মাজত কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰক লৈ এখন বিশেষ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ।

**আৰু**

৫। যান-বাহন ব্যৱস্থাপনাৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা শৃংখলাৰ বাবে মিজোৰামলৈ কেন্দ্ৰীয় চৰকাৰৰ বিশেষ বঁটা।

০০০০০০

নতুন দিল্লীত লালকিল্লাৰ সমীপত সোমবাৰে হোৱা গাড়ী বোমা বিস্ফোৰণৰ পাছৰ পৰিস্থিতিৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে তদন্তকাৰী সংস্থাৰ শীৰ্ষ বিষয়াসকলৰ সৈতে এখন উচ্চস্তৰীয় নিৰাপত্তা সৈতে বৈঠকত মিলিত হয়। গৃহ মন্ত্ৰীগৰাকীয়ে দিল্লী বিস্ফোৰণৰ ঘটনাৰ সৈতে জড়িত প্ৰতিগৰাকী অপৰাধীকে বিচাৰি উলিয়াই কঠোৰ শাস্তি বিহিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। বৈঠকত কেন্দ্ৰীয় গৃহ সচিব, চোৰাংচোৱা সংস্থাৰ সঞ্চালক, দিল্লীৰ আৰক্ষী আয়ুক্ত আৰু ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাৰ সঞ্চালকপ্ৰধানে অংশগ্ৰহণ কৰে। জম্মু-কাশ্মীৰ আৰক্ষীৰ সঞ্চালক প্ৰধানেও ভাৰ্চুৱেল ব্যৱস্থাৰে এই বৈঠকত অংশগ্ৰহণ কৰে।

গৃহ মন্ত্ৰালয়ে ইতিমধ্যে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা এন আই এক বিস্ফোৰণৰ ঘটনাৰ তদন্তৰ দায়িত্ব অৰ্পণ কৰিছে। মহানগৰখনৰ সকলো স্পৰ্শকাতৰ এলেকাতে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। নিৰাপত্তাজনিত কাৰণত লালকিল্লা মেট্ৰ' ষ্টেচন বন্ধ থাকিব যদিও আন আন ষ্টেচনসমূহত যাতায়াত স্বাভাৱিক থাকিব বুলি দিল্লী মেট্ৰ' ৰে'ল নিগমে প্ৰকাশ কৰিছে। কাইলৈ লৈকে লালকিল্লাও দৰ্শনাৰ্থীসকলৰ বাবে বন্ধ ৰখা হ'ব।

ইপিনে দিল্লীৰ বিস্ফোৰণৰ ঘটনাৰ পাছতে সমগ্ৰ দেশতে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত গুৱাহাটী মহানগৰীতো নিৰাপত্তাৰক্ষীয়ে বিশেষ সতৰ্কতা অৱলম্বন কৰাৰ লগতে তালাচী অভিযান অব্যাহত ৰাখিছে। বিশেষকৈ ৰে'ল ষ্টেচন, বিমান বন্দৰসমূহত নিৰাপত্তাৰক্ষীয়ে অভিযান চলাই পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰাখিছে। গুৱাহাটীৰ ৰে'লৱে ষ্টেচনত চি আৰ পি এফে তালাচী অভিযান চলোৱাৰ লগতে যাত্ৰীসকলৰ মাজত মাইকযোগে সজাগ, সচেতন আৰু সতৰ্ক হোৱাৰ আহ্বান জনায়। ৰে'লে ষ্টেচনসমূহত ড্ৰোনৰ সহায়ত নিৰীক্ষণ কৰি থকা হৈছে। সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটীত তৎকালীনভাৱে প্ৰযোজ্য হোৱাকৈ প্ৰশাসনে সমদল, ৰেলী, মাৰাথান আদি কাৰ্যসূচী নিষিদ্ধ কৰিছে। মহানগৰ আৰক্ষীয়ে ভাৰতীয় নাগৰিক সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত এই নিষেধাজ্ঞা জাৰি কৰিছে।

অসমত সন্ত্ৰাসবাদ মষিমূৰ কৰাৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে দিল্লীৰ ভয়াৱহ বিস্ফোৰণৰ ঘটনাক লৈ সামাজিক মাধ্যমত আনন্দ কৰা লোকক

প্ৰয়োজন হ'লে গ্ৰেপ্তাৰ কৰা হ'ব বুলি সকীয়াই দিয়ে। দিল্লীৰ বিস্ফোৰণৰ ঘটনাক লৈ সামাজিক মাধ্যমত বিৰূপ মন্তব্য কৰা লোকৰ বিৰুদ্ধে তথ্য পৰীক্ষা কৰি গ্ৰেপ্তাৰ কৰিবলৈ অসম আৰক্ষীৰ সঞ্চালক প্ৰধানক নিৰ্দেশ দিয়ে।

oooooo

ৰাজ্যৰ জনজাতীয় লোকসকলক বসুন্ধৰা আঁচনিৰ অধীনত ৫০ বিঘা পৰ্যন্ত ভূমিৰ অধিকাৰ দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। ধৰ্তি আবা বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী উপলক্ষে ৰাজ্যজুৰি উদযাপিত জনজাতীয় গৌৰৱ বৰ্ষ পযেকৰ সৈতে সংগতি ৰাখি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি কামৰূপ জিলাৰ মুঠ চাৰি হাজাৰ ৬৭৩ টা জনজাতীয় পৰিয়ালক ভূমি স্বত্ব পত্ৰ বিতৰণ কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বসুন্ধৰা আঁচনিৰ প্ৰথম পৰ্যায়ত প্ৰায় দেৰ লাখ জনজাতীয় লোকে ভূমি পট্টা লাভ কৰিছিল যদিও আন বহু লোকে এই সুবিধা গ্ৰহণৰ বাবে আবেদন কৰা নাছিল। পৈত্ৰিকভাৱে অধিক ভূমি থকা এই লোকসকলৰ সুবিধাৰ বাবে ৰাজ্য চৰকাৰে এগৰাকীকৈ জনজাতীয় ব্যক্তিক ৫০ বিঘাকৈ ভূমিৰ অধিকাৰৰ স্বত্ব প্ৰদান কৰিব বুলি তেওঁ ঘোষণা কৰে।

**বাইট (চি এম)**

কালিৰ অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে বড়ো, ৰাভা, কাৰ্বি আৰু গাৰো জনগোষ্ঠীৰ এই লোকসকলক ভূমি স্বত্ব পত্ৰ প্ৰদান কৰি জনজাতীয় লোকক ভূমিৰ অধিকাৰ প্ৰদানৰ ক্ষেত্ৰত এয়া অত্যন্ত গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰে।

ইপিনে, জনজাতীয় গৌৰৱ পযেকৰ সৈতে সংগতি ৰাখি যোৰহাট জিলাৰ ১০ টা আদিসেৱা কেন্দ্ৰত আজিৰেপৰা স্বাস্থ্য আৰু পৰিপুষ্টি শিবিৰৰ আয়োজন কৰা হৈছে। জিলা প্ৰশাসন আৰু ঠেঙাল কছাৰী স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগত তিতাবৰস্থিত ঠেঙাল সাংস্কৃতিক কেন্দ্ৰ আৰু সংগ্ৰহালয়ত ১৫ নৱেম্বৰত জনগোষ্ঠীৰ চহকী, সাংস্কৃতিক ঐতিহ্য আৰু পৰম্পৰা প্ৰদৰ্শন কৰা হ'ব।

oooooo

দ্বিতীয় পৰ্যায়ৰ বিহাৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণ কালি শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি ৬৬ দশমিক ৯-১ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। উল্লেখযোগ্য যে সৰ্বমুঠ ২৪৩ খন আসনৰ বাবে যোৱা ৬ নৱেম্বৰত আৰু কালি দুটা পৰ্যায়ত ভোটগ্ৰহণ সম্পন্ন হয়। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰে কয়, যে ১৯৫১ চনৰ পৰা অনুষ্ঠিত সকলো নিৰ্বাচনৰ ভিতৰত ২০২৫ চনৰ নিৰ্বাচনত প্ৰায় ৬৬ দশমিক ৯ শতাংশ অৰ্থাৎ সৰ্বাধিক সংখ্যক ভোটদাতাই নিজৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিছে। এইবাৰ বিহাৰ বিধানসভা নিৰ্বাচনত পুৰুষৰ ভোটদানৰ হাৰ ৬২ দশমিক ৮ শতাংশ আৰু মহিলাৰ ভোটদানৰ হাৰ ৭১ দশমিক ৬ শতাংশ আছিল। দুয়োটা পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াত কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতি সৃষ্টি নোহোৱাকৈ সম্পূৰ্ণ শান্তিপূৰ্ণভাৱে নিৰ্বাচন সম্পন্ন হয়। উল্লেখযোগ্য যে যোৱা ৬ নৱেম্বৰত অনুষ্ঠিত প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ ভোটগ্ৰহণত ৬৫ শতাংশ ভোটদান হৈছিল। অহা ১৪ নৱেম্বৰত নিৰ্বাচনী ফলাফল ঘোষণা কৰা হ'ব।

উল্লেখযোগ্য যে এগ্‌জিত পোলৰ সমীক্ষা অনুসৰি ৰাজ্যখনত এন ডি এ পুনৰ ক্ষমতালৈ অহাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে। ভোটগ্ৰহণ সম্পূৰ্ণ হোৱাৰ পাছত কৰা এই সমীক্ষাত এন ডি এ ২৪৩ খন আসনৰ ভিতৰত ১৩৩ৰ পৰা ১৬৭ খন দিয়া হৈছে। ইয়াৰ বিপৰীতে আৰ জে ডি আৰু কংগ্ৰেছ নেতৃত্বাধীন মহাজোঁটে মাত্ৰ ৭০ৰ পৰা ১০২ খন আসনহে লাভ কৰিব বুলি সমীক্ষাসমূহত প্ৰকাশ পাইছে।

oooooo

জনসাধাৰণৰ কাম আৰু চৰকাৰৰ সেৱাসমূহ অধিক স্বচ্ছ আৰু ক্ষিপ্ৰতাৰ লগতে নিয়াৰিকৈ উপলব্ধ কৰাত সহায়ক হোৱাকৈ প্ৰশাসনত কৃত্ৰিম বুদ্ধিমত্তাৰ বহুল প্ৰয়োগত ৰাজ্য চৰকাৰে গুৰুত্ব আৰোপ কৰিছে। অসম তথা উত্তৰ-পূব ভাৰতক এ আই হাবৰূপে প্ৰতিষ্ঠাৰ বাবেও প্ৰয়োজনীয় কাৰিকৰী সামৰ্থ আহৰণ আৰু আন্তঃগাঁথনিৰ বিকাশত চৰকাৰে বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে। এই সন্দৰ্ভত কালি মন্ত্ৰী কেশৱ মহন্ত আৰু ৰাজ্য চৰকাৰৰ মুখ্য সচিব ড০ ৰবি কোটাৰ উপস্থিতিত ৰাজ্য চৰকাৰৰ তথ্য প্ৰযুক্তি বিভাগে গুগলৰ সৈতে প্ৰশাসনত কৃত্ৰিম বুদ্ধিমত্তা

বিষয়ক এখন বুজাবুজিৰ চুক্তি সম্পাদন কৰে। গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত ৰাজ্য চৰকাৰৰ হৈ তথ্য প্ৰযুক্তি বিভাগৰ সচিব গোপীনাথ নাৰায়ণ আৰু গুগল ক্লাউডৰ ভাৰতৰ সঞ্চালক তথা দেশীয় প্ৰমুখ আশীষ বাট্টালে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই বুজাবুজিৰ চুক্তিৰ জৰিয়তে ৰাজ্য চৰকাৰৰ বিভাগসমূহৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰেৰে সামৰ্থ বিকাশ আৰু বিষয়াসকলৰ কৰ্ম নিপুণতা বৃদ্ধিৰ জৰিয়তে চৰকাৰী সেৱাসমূহ অধিক সুচাৰুৰূপে তথা খৰতকীয়াকৈ ৰাইজৰ ওচৰলৈ নিবলৈ সমৰ্থ হ'ব বুলি আশা কৰা হৈছে। এই বুজাবুজিৰ চুক্তি সন্দৰ্ভত মন্ত্ৰী কেশৱ মহন্তই এইদৰে কয়।

**বাইট (কেশৱ মহন্ত)**

০০০০০০

মিজোৰামে ৰাজ্যখনত যান-বাহন ব্যৱস্থাপনাৰ ক্ষেত্ৰত প্ৰদৰ্শন কৰা অতুলনীয় সাফল্যৰ বাবে কেন্দ্ৰীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনৰ নগৰীয়া পৰিবহণ বিভাগৰ দ্বাৰা বিশেষ বঁটা লাভ কৰিছে। হাৰিয়ানাৰ গুৰুগ্ৰামত অনুষ্ঠিত অষ্টাদশ আৰবান মবিলিটি ইণ্ডিয়া সন্মিলনত ৰাজ্যখনক কালি এই বঁটাৰে সন্মানিত কৰা হয়। মিজোৰামৰ নগৰ উন্নয়ন আৰু দৰিদ্ৰতা দূৰীকৰণ বিভাগৰ সচিব লালমালচাউমা পাচোৱাই এই বঁটা গ্ৰহণ কৰে। এই অনুষ্ঠানত কেন্দ্ৰীয় নগৰ পৰিক্ৰমা আৰু গৃহ নিৰ্মাণ মন্ত্ৰী মনোহৰ লাল আৰু বিভাগটোৰ ৰাজ্য মন্ত্ৰী তোখন চাহু উপস্থিত থাকে। উল্লেখযোগ্য যে প্ৰতিবছৰে মন্ত্ৰালয়ে আয়োজন কৰা এই সন্মিলনত দেশৰ বিভিন্ন ৰাজ্যৰ মহানগৰসমূহত উদ্ভাৱনমূলক, বহনক্ষম আৰু সুশৃংখল পৰিবহণৰ বাবে উৎসাহিত কৰাৰ প্ৰয়াস কৰা হয়। এই বঁটা লাভৰ বাবে মিজোৰামৰ মহানগৰ পৰিকল্পনা বিভাগে বিশেষ নিৰ্বাচনী সমিতিৰ সন্মুখত ৰাজ্যখনৰ পৰিবহণ ব্যৱস্থাক উপস্থাপন কৰিছিল। যোৱা ১৬ অক্টোবৰত বিভাগটোৱে ভিডিঅ' আৰু পাৱাৰপইণ্টৰ মাধ্যমেৰে এই ব্যৱস্থা উপস্থাপন কৰিছিল। ইয়াৰ দ্বাৰা ৰাজ্যখনৰ পৰিবহণৰ নীতি-নিৰ্দেশনা আৰু জনসাধাৰণৰ পথত চলাচলৰ ক্ষেত্ৰত সু-অভ্যাসসমূহ দাঙি ধৰা হৈছিল। মিজোৰাম চৰকাৰে এই সন্মান ৰাজ্যখনৰ জনসাধাৰণৰ বাবে উৎসৰ্গা কৰিছে। উল্লেখযোগ্য যে পৰিবহণ আৰু যানবাহন চলাচলৰ ক্ষেত্ৰত দেখুওৱা শৃংখলৰ বাবে মিজোৰাম দেশৰ ভিতৰতে প্ৰশংসিত হৈ আহিছে। ৰাজ্যখনৰ ৰাজধানী চহৰ আইজলক দেশৰ হৰ্ণশূন্য আৰু নীৰৱ মহানগৰ বুলিও প্ৰশংসা কৰা হয়।

০০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনা সন্দৰ্ভত তদন্ত ক্ষিপ্ৰ গতিত চলি আছে আৰু এতিয়ালৈকে কমেও ১৪০ জন লোকৰ সাক্ষ্য গ্ৰহণ কৰা হৈছে। এই ঘটনাৰ অনুসন্ধান চলাই থকা বিশেষ তদন্তকাৰী গোটৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই এই বিষয়ে প্ৰকাশ কৰিছে। তেওঁ কয়, যে মুম্বাই আৰু ছিংগাপুৰৰ পৰাও আৰক্ষীয়ে প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰিছে।

**বাইট**

উল্লেখযোগ্য যে গৃহ বিভাগৰ দায়িত্বত থকা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৮ ডিচেম্বৰত এই ঘটনাৰ অভিযোগনামা দাখিল কৰা হ'ব বুলি ইতিপূৰ্বে প্ৰকাশ কৰিছে। তেওঁ লগতে এই ঘটনাত জড়িতসকলক কোনো কাৰণতে ৰেহাই দিয়া নহ'ব বুলিও স্পষ্ট কৰি দিছে।

০০০০০০

আজিৰে পৰা ২০২৫-২৬ পৰ্যটন বৰ্ষৰ বাবে পবিতৰা অভয়াৰণ্যত হাতী ছাফাৰী আৰম্ভ হৈছে। যোৱা ২৩ অক্টোবৰত কৰ্তৃপক্ষই পবিতৰা অভয়াৰণ্যত পৰ্যটকৰ বাবে জীপ ছাফাৰী মুকলি কৰিছিল। এশিঙীয়া গঁড়ৰ বিচৰণভূমি পবিতৰা ২০২৫-২৬ পৰ্যটন বৰ্ষ কিছু পলমকৈ আৰম্ভ কৰা হৈছে। অভয়াৰণ্যখনৰ বিধবস্ত বাট-পথ মেৰামতিৰ পাছতহে পৰ্যটকৰ বাবে কৰ্তৃপক্ষই জীপ ছাফাৰী মুকলি কৰি দিছে। উল্লেখযোগ্য যে অভয়াৰণ্য কৰ্তৃপক্ষৰ পৰা পোৱা তথ্য অনুসৰি বিগত ২০২৪-২৫ পৰ্যটন বৰ্ষত ৩৪ হাজাৰ ৩৯০ গৰাকী দেশী-বিদেশী পৰ্যটকৰ পবিতৰালৈ আগমন ঘটিছিল। এই বৰ্ষত পৰ্যটকৰ পৰা ৬১ লাখ ২৬ হাজাৰ ৪২৫ টকাৰ ৰাজহ সংগ্ৰহ কৰা হৈছিল বুলি অভয়াৰণ্য কৰ্তৃপক্ষই জানিবলৈ দিয়ে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহত দিল্লীৰ বোমা বিস্ফোৰণ, বিহাৰৰ বিধানসভা নিৰ্বাচন, দুৰ্নীতিগ্ৰস্ত বিষয়া নুপুৰ বৰাৰ জামিন আদি ভিন ভিন বাতৰিয়ে প্ৰথম পৃষ্ঠাত স্থান পাইছে। **অসমীয়া প্ৰতিদিন** কাকতে 'বিহাৰত চৰকাৰ গঠনৰ দিশে এন ডি এ' শিৰোনামেৰে ভোটগ্ৰহণৰ সামৰণিৰ পাছতে বিভিন্ন প্ৰতিষ্ঠানৰ এগ্‌জিট প'লৰ সমীক্ষাৰ বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে। **দৈনিক অসম** কাকতৰ মুখ্য বাতৰিৰ শিৰোনাম '১০/১১ বিস্ফোৰণ, আঁৰত জৈচ-ই-মহম্মদ'। কাকতখনে 'ফ্লেছ' উপন্যাসৰ বাবে ডেভিদ শ্বালেক চলিত বৰ্ষৰ বুকাৰ বঁটা প্ৰদান কৰাৰ বাতৰি গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। **অসমীয়া খবৰ** আৰু **দৈনিক জনমভূমি** কাকতে আত্মঘাতী চিকিৎসকৰ গাড়ী বোমা বিস্ফোৰণত দেশৰ ৰাজধানী ৰক্তাক্ত হোৱাৰ বাতৰি ভিন ভিন শিৰোনামেৰে সবিস্তাৰে আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। **দি আছাম ট্ৰিবিউন** কাকতে গগনযান অভিযানৰ বাবে ইছৰ'ই মূল পেৰাছ্যুটসমূহৰ গুৰুত্বপূৰ্ণ পৰীক্ষণ সফলতাৰে সম্পন্ন কৰাৰ এটা বাতৰি  আলোকচিত্ৰসহ তথ্য সহকাৰে পৰিৱেশন কৰিছে। **দা ছেণ্টিনেল** কাকতে বিধানসভা নিৰ্বাচনলৈ পাঁচমাহ বাকী থকা অৱস্থাত প্ৰথম পৰ্যায়ৰ ইলেকট্ৰনিক  ভোটিং মেচিনসমূহৰ পৰীক্ষা ডিচেম্বৰৰ ১১ তাৰিখে আৰম্ভ কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

**নিয়মীয়া বাৰ্তা** কাকতে দিল্লী কাণ্ডৰ ষড়যন্ত্ৰকাৰীসকলক ৰেহাই দিয়া নহ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰা প্ৰতিজ্ঞাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে। এই বাতৰিক আজি প্ৰকাশিত প্ৰতিখন কাকতেই গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। অত্যুৎসাহী মিডিয়াত জনপ্ৰিয় অভিনেতা ধৰ্মেন্দ্ৰৰ মৃত্যুৰ উৰা-বাতৰি শীৰ্ষক বাতৰিটো **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে। 'জল জীৱনৰ লুণ্ঠনত দ্বিতীয় স্থানত অসম' শিৰোনামেৰে **দৈনিক অগ্ৰদূত** কাকতে ১৫ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলক লৈ কেন্দ্ৰীয় চৰকাৰ উদ্বিগ্ন হোৱাৰ বাতৰি প্ৰকাশ কৰিছে।

এতিয়া আহক বাতৰিৰ মাজলৈ পুনৰ উভতি যাওঁ।

০০০০০০

ৰাজ্য চৰকাৰে কেতবোৰ চৰ্তসাপেক্ষে ৰাজ্যত পুনৰ লটাৰী অথবা উপহাৰ কুপনৰ খেল অনুষ্ঠিত কৰাৰ বাবে অনুমতি দিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে এই সন্দৰ্ভত পূৰ্বৰ এটা নিৰ্দেশনা খাৰিজ কৰি ৰাজ্যত লটাৰী অনুষ্ঠিত কৰা-নকৰা সন্দৰ্ভত বিবেচনা কৰিবলৈ ৰাজ্য চৰকাৰক নিৰ্দেশ দিছিল। এই নিৰ্দেশৰ পাছতে কালি ৰাজ্যৰ বিত্ত বিভাগে ৰাস মহোৎসৱ, লক্ষ্মী পুজা, দৌল উৎসৱ আদিত জিলা আয়ুক্তই এই খেলৰ বাবে অনুমতি দিব পাৰিব বুলি নিৰ্দেশ দিছে। অৱশ্যে ইয়াৰ বাবে লটাৰী অনুষ্ঠিত কৰা উদ্যোক্তা সমিতিয়ে লিখিতভাৱে জিলা আয়ুক্তৰ পৰা অনুমতি লব লাগিব। জিলা আয়ুক্তই ইয়াৰ বাবে যাৱতীয় কৰ সংগ্ৰহৰ নিৰ্দেশ দিব লাগিব আৰু কৰ আদায় নিদিয়া সমিতিক লটাৰী অনুষ্ঠিত কৰাৰ অনুমতি দিব নোৱাৰিব বুলি নিৰ্দেশনাত স্পষ্ট কৰি দিয়া হৈছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পৰৱৰ্তী সময়ত বতৰ আংশিকভাৱে ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩১ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২১ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ আৰু ত্ৰিপুৰাৰ অঞ্চল বিশেষে বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত